**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-03-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ ইৰানত যুটীয়া আক্ৰমণ তীব্ৰতৰ হৈ উঠাৰ পৰিপ্ৰেক্ষিতত পশ্চিম এছিয়াৰ পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। ক্ষেপনাস্ত্ৰ আৰু ড্ৰোনেৰে ইৰানত আমেৰিকা আৰু ইজৰাইল বাহিনীৰ নিৰন্তৰ আক্ৰমণ অব্যাহত আছে। প্ৰত্যুত্তৰত ইৰাণ আৰু দেশখনৰ সমৰ্থিত সেনা বাহিনীয়েও ইজৰাইল আৰু মধ্যপ্ৰাচ্যৰ দেশসমূহত আক্ৰমণ চলাইছে। ব্ৰিটেইন ফ্ৰান্স আৰু জাৰ্মানীয়ে ইৰাণৰ আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়াৰ বাবে আমেৰিকাক সহযোগ কৰিব বুলি প্ৰকাশ কৰিছে। ইৰাণৰ বিদেশ মন্ত্ৰী আববাছ আৰাঘচিয়ে দেশখনৰ মুৰববী আলী খামেনেইৰ ওপৰত আক্ৰমণ আৰু তেওঁৰ হত্যাক কঠোৰ ভাষাৰে গৰিহণা দিয়ে। মন্ত্ৰীগৰাকীয়ে এই ঘটনাক বে-আইনী বুলি অভিহিত কৰাৰ লগতে ইৰাণে প্ৰতিৰক্ষা হিচাপে সমুচিত প্ৰত্যুত্তৰ দিব বুলি প্ৰকাশ কৰে।

ইপিনে, আজি পেণ্টাগনে এখন প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে এইদৰে জনাই যে, আমেৰিকাই এই অভিযান ইৰাণৰ ক্ষেপনাস্ত্ৰ আৰু নৌসেনা ধ্বংস কৰাৰ উদ্দেশ্যে কৰিছে। লগতে তেহৰানৰ পাৰমানবিক অস্ত্ৰ নিৰস্ত্ৰীকৰণৰ কথাও উল্লেখ কৰে। পেণ্টাগনে আৰু কয় যে ইৰাণৰ বিৰুদ্ধে আমেৰিকাৰ এই যুদ্ধ অতি সোনকালে অন্ত পৰিব।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কুৱেইটত তিনিটা আমেৰিকান বাহিনীৰ সৈন্যৰ মৃত্যুৰ ক্ষতিপূৰণ আদায় কৰিব বুলিও প্ৰকাশ কৰিছে। ইৰাণেও আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপৰি ইউ এ ই, কুৱেইট, বাহৰেইণকে ধৰি মধ্যপ্ৰাচ্যৰ দেশসমূহত আক্ৰমণ অব্যাহত ৰাখিছে। ইজৰাইলে বেইৰুটত কৰা আক্ৰমণত ৩১ জন লোকৰ মৃত্যু হৈছে।

ইজৰাইলৰ বায়ুসেনা বাহিনীয়ে প্ৰকাশ কৰা তথ্য মতে ইৰাণে ইজৰাইলৰ ভূখণ্ডত ক্ষেপনাস্ত্ৰৰে আক্ৰমণ চলাইছে। ইৰাণে দাবী কৰা মতে কুৱেইটত আমেৰিকাৰ F-15 যুঁজাৰু বিমান বিধবস্ত হৈছে। কুৱেইটত থকা আমেৰিকাৰ দূতাবাসত ইৰাণে আক্ৰমণ চলাইছে।

পশ্চিম এচিয়া আৰু মধ্য প্ৰাচ্যৰ দেশসমহূৰ এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আবদ্ধ ভাৰতীয়সকলক উদ্ধাৰৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰখা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰকাশ কৰিছে।

০০০০

কামৰূপ মহানগৰ জিলাৰ জিলা আৰু ছেছন আদালতে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত শ্যামকান মহন্তৰ জব্দ কৰা বেংক একাউণ্ট মুকলি কৰিবলৈ নিৰ্দেশ দিছে। গোচৰটোৰ আজি শুনানি গ্ৰহণ কৰি আদালতে এই নিৰ্দেশ দিয়ে। বেংক একাউণ্ট জব্দ কৰাৰ সময়ত তদন্তকাৰী সংস্থাই ভাৰতীয় ন্যায় সংহিতাৰ ১০৭ ধাৰা উলংঘন কৰাৰ বাবে আদালতে অভিযুক্তজনৰ বেংক একাউণ্ট মুকলি কৰিবলৈ নিৰ্দেশ দিয়ে। একেদৰে আদালতে আজি চৰ্তসাপেক্ষে গোচৰটোৰ আন এজন অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জব্দ কৰা

ফ্লেটটো মুকলি কৰিবলৈ নিৰ্দেশ দিছে। অৱশ্যে ফ্লেটটো মুকলি কৰাৰ বাবে সিদ্ধাৰ্থ শৰ্মাই আদালতত ১৬ লাখ টকাৰ বেংক গেৰাণ্টি জমা দিব লাগিব। ইপিনে, ছিংগাপুৰত চলি থকা গোচৰৰ যাৱতীয় নথিপত্ৰ বিচাৰি অভিযুক্ত পক্ষই দাখিল কৰা আবেদন আদালতে খাৰিজ কৰে। অসম চৰকাৰৰ হৈ গোচৰটোৰ প্ৰতিনিধিত্ব কৰা বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে প্ৰকাশ কৰা মতে ছিংগাপুৰলৈ গৈ তদন্তকাৰী গোটে লাভ কৰা সকলো তথ্য ইতিমধ্যে আদালতত দাখিল কৰা হৈছে। সেয়ে অভিযুক্ত পক্ষই ইচ্ছা কৰিলে সেই তথ্যসমূহ চাব পাৰিব বুলি আজি আদালতে নিৰ্দেশনাটোত উল্লেখ কৰিছে। অহা ১৯ মাৰ্চত অভিযুক্তৰ বিৰুদ্ধে অভিযোগ আৰোপ সন্দৰ্ভত শুনানি অনুষ্ঠিত হ'ব বুলি অধিবক্তাগৰাকীয়ে প্ৰকাশ কৰিছে। আজিৰ শুনানি সন্দৰ্ভত বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে এইদৰে কয়।

বাইট

০০০০

অসমৰ তিনিখন ৰাজ্যসভা আসনৰ বাবে অহা ১৬ মাৰ্চ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছে। বিজেপিৰ ৰামেশ্বৰ তেলী, যোগেন মহন, তেৰছ গোৱালা, তপন গগৈ, পুলক গোঁহাই আৰু দিপ্লুৰঞ্জন শৰ্মাৰ নামত ইতিমধ্যে ছখন মনোনয়ন পত্ৰ সংগ্ৰহ কৰা হৈছে। আনহাতে, ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়ো আৰু এ আই ইউ ডি এফৰ মুৰব্বী বদৰুদ্দিন আজমলৰ নামতো মনোনয়ন পত্ৰ সংগ্ৰহ কৰা হৈছে। উল্লেখযোগ্য অহা ৫ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০

ধেমাজী সদৰ আৰক্ষীয়ে আজি অভিযান চলাই হিমাংশু কুলী নামৰ এজন ড্ৰাগছ সৰবৰাহীক আটক কৰে। আৰক্ষীয়ে সৰবৰাহকাৰীজনৰ পৰা হেৰোইনৰ ৩ টা কণ্টেনাৰসহ নগদ ৫ হাজাৰ টকা জব্দ কৰে। লগতে আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহত ব্যৱহাৰ কৰা এখন ৪ চকীয়া বাহনো জব্দ কৰিছে। বৰ্তমান আৰক্ষীয়ে সোধা-পোচা অব্যাহত ৰাখিছে।

০০০০

ভাৰতীয় তথ্য সেৱা বিষয়া অংকুৰ লাহটীয়ে আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ